# নীৰৱতা

**অনামিক ৰাভা**
*স্নাতক দ্বিতীয় বৰ্ষ*

এখন সাগৰৰ দৰে উন্মাদ লহৰত,
কপি উঠে আকাশৰ গোপন আশা।
উৰীয়া ঢৌবোৰত জন্ম হয়,
শিহৰণৰ কোলাহল।
প্ৰেমৰ ছুনামিত অসীমলৈ বৈ যায়,
নীলা আকাশৰ বাসনাৰ সীমা।
আকাশে জানে নীৰৱতাৰ,
সাগৰত ডুবি ডুবি;
জাহ যোৱাৰ কিমান আনন্দ।
সাগৰৰ বুকুত হেৰাল জোনাকৰ ঘৰ,
তৰাবোৰ অঘৰী হৈ ঘূৰিছে।
খোজত এন্ধাৰৰ দুৰ্গম পথ
আকাশৰ পিছল বাটত এৰেও
দুডেও দি সৰি পৰাত কিমান আনন্দ
চকুমুদি সুখৰ ডেউকা মেলি
শূন্যতাৰ বুকুত জাপ মাৰি
দিও বলা আকাশৰ দৰে
নহ'লে কিদৰে বুজিবা
নিজৰ বুকুত নিজকে হেৰুৱাই
বিচৰাত কিমান আনন্দ
হৃদয়ৰ বিষণ্ণতাৰ সাগৰৰ
লহৰ তুলি উটুৱাই দিয়া
উশাহৰ বিষাদ।





# আকাশ

**প্ৰাণজিত কলিতা**
*স্নাতক তৃতীয় যান্মাসিক*

আকাশখনে উচুপিছে আজি...
মাজে মাজে কৰিছে
অসহ্যকৰ আৰ্তনাদ...
পপীয়া তৰাৰ
প্ৰেমত পৰিছে চাগে সি ...
মাজে মাজে দেখা দিয়েই যে
আঁতৰি গৈছে বুকুৰ পৰা ...
হেৰৌ আকাশ,
প্ৰেমত নপৰিবি...
দুখৰ বব নোৱাৰা বোজাটো
বুকুত বান্ধি নলবি
প্ৰেমত যে অশ্ৰুৰ বাহিৰে
একো পোৱা নাযায়...
চাৰিওফালে মাথো
বিষাদ আৰু বিষাদ...
আৰু নাকান্দিবি ও...
মচি দে বুকুৰ পৰা
কলীয়া ডাৱৰ...
সকলো পাহৰি বিৰিঙাই দে
তোৰ জোনাকী হাঁহি...

# পুৰতি তৰাৰ হাঁহি

**সুদৰ্শন ৰাভা**
*তৃতীয় যান্মাসিক (কলা)*

পদূলিৰ এজাঁক জোঁনাকে,
জীৱনৰ আশা লৈ মন শৰতৰ এটি ৰূপেৰে।
নীলিম আকাশৰ মেঘৰ বুকুলৈ
জোঁনাকৰ অমিয়া সুৰ বিনাই;
এন্ধাৰ জীৱনৰ মনৰ ফাগুনত
চেনেহৰ সুবাসে পৰশ বিলাই দিয়া;
আকাশৰ শুকুলা মেঘালী।
বকুল বনৰ নিশাৰ ৰ'দত
এন্ধাৰ পথত জ্বলি ৰৈ,
সদূৰৰ প্ৰভাতী পোহৰেৰে;
এন্ধাৰ জীৱনৰ নীৰৱ নিশাত
হাঁহিৰে ভৰা মৃদু পৰশ লৈ।
মনৰ বনত থকা চেনেহী হৰিণী
মৰমী জোনালী,
প্ৰকৃতিৰ দোভাগ ৰাতি
লাজুকী অনুৰাগৰ উমান পৰশত
সুবাস সিঁচি দিয়া ৰিক্ত মনে
সোঁপন ৰূপেৰে সঁজা তৰলি
নিশাৰ আকাশৰ বিপ্লৱ!
জোনাকৰ ফুলেৰে ফুলি
জ্যোতিস্কাৰ হৈ পৰা হেঙুলী ৰহণে
মনৰ পৃথিৱীত কৃষ্ণচূড়া ফুলা অৰ্থৰে
বুকুভৰা অনুৰাগে আকাশৰ বুকুত।
নিজানত নীৰৱে
ফুলনি পাতি ৰোৱা
তুমি, মধু জোনাকৰ
নিৰলা মৰম লৈ;
পুৰতি তৰাৰ হাঁহিৰে...

# এটি সপোনৰ অন্বেষণৰ আঁৰত

**নৰ্মদা শৰ্মা**
*স্নাতক তৃতীয় বৰ্ষ (কলা)*

বতাহজাকৰ সৈতে উৰি ধেমালি কৰিছিলো
বোকাময়-বালিময় সকলোতে বগাইছিলো
আছিল সেইবোৰ মুকলি দিন
চৰাইৰ দৰে উৰাৰ সপোন দেখিছিলো
কিন্তু, হয়নে?
জানো সেইবোৰ সঁচাকৈ
এটি সপোন
দীঘলীয়া এটি পাহাৰীয়া পথৰ দৰে।
উদুলি - মুদুলী
সেইবোৰ সপোন।
অকল সপোন।
ভাবিছিলোনে!
সপোন কেতিয়াবা নফলিয়াই যে
নহয়।
সেইবোৰ বিভ্ৰান্তি নে এটি কেঁচা সপোন?
সপোন ফলিয়াবলৈ
লাগে কিছু চেষ্টা।
কৰিছোনে?
ক্ষন্তেক সময় ভাবিছো
আকৌ ভাবিছো
নিশ্চয়! কৰিও নোৱাৰিলো
কিন্তু,
সকলোৱে জানো ভোগেনে
এই যন্ত্ৰণাত
এটি সপোনক দিঠক কৰিবলৈ ...



# শুভ ৰাত্ৰি

**জুপিতৰা ৰাভা**
*স্নাতক প্ৰথম বৰ্ষ*

এই নিজান নীৰৱ ৰাতি
এন্ধাৰৰ আৱৰোণ বোৰ
ফালি।
নিৰৱতাৰ মাজেৰে
তথাপিও,
তোমালৈ যাচিলো
শুভ ৰাত্ৰি।



# ভালপাওঁ বুলি

**জ্যোতি প্ৰসাদ বসুমতাৰী**
*স্নাতক প্ৰথম বৰ্ষ (কলা)*

ভালপাওঁ বুলি কেতিয়া কবা?
কেতিয়া হবা মোৰ মনৰ লগৰী
কেতিয়া হবা মোৰ সুখ দুখৰ সমভাগী
তুমিতো বুজিছা মোৰ মনৰ দুৰ্দশা
তথাপি অবুজন কিয় তুমি?
মোৰ চকুত চকুলো আৰু কিমান চাবা
আৰু নহবা অবুজন তুমি
প্ৰতিটোপাল চকুলোত আছে তোমাৰ বাবে মৰম
তথাপি অবুজন কিয় তুমি
কেতিয়া জনাবা মোৰ ভালপোৱাৰ সহাঁৰি...

**ৰাভা কবিতা**

# আয়ানি বোমায়ান

**চন্দন ৰাভা**
*স্নাতক প্ৰথম বৰ্ষ*

আয়ানি বোমায়ান
জিতক চাংজো চিং
আয়ানি বোমায়ান চুংজো
তুনুকজো আয়া নাঙান চিঙানেকে
একায় বসুমুতায়।
ৰাখুজো চিঙানেকে চোনানি খুৰাং
নাথোৰাঙা সিছান জাতিনি ৰাও
আলাং-চালাং ত্যে, তংচাজো
মাপাকে কাকায়নি মাজাৰি
চিনা-মানা কিৰিছা;
আয়ানি বোমায় তোয়ে ত্যে
ছাব্ৰাতাং কাকায়নি মাজাৰি,
আনটাং মিনিতা, তেপেতা
কাকায় কাকায়না...
তংচা উৰভি ছেং খু'ম উনে।
তোৱা চিঙি বাহুটি বল
তোৱা খুৰাং আৰো কৃষ্টি
চিঙি মাজাৰি তোৱা প্যিদান
দৰায় গাবুৰ...
উৰ্গিতা আয়া নাঙো, তাখাপ নাং
তোৱা নাঙি ছাব্ৰা-কায়ব্ৰা বি'জান ছামে
আয়ানি বোমায়ান।

'গল্পৰ পথাৰখনি

# সূক্ষ্ম হৃদয়ৰ মূল্যবোধ

সৰোজিনী ৰাভা

দিলীপে ছিটত মূৰ আওঁজাই বহি চকু বন্ধ কৰিলে। আজৰি পালেই চকুমুদি থকাটো আৰু আজৰি দীঘলীয়া হ'লে এঘুমতি মাৰি লোৱাটো দিলীপৰ অভ্যাস। এনেকৈ সুবিধা বুজি জিৰণি নল'লে জিৰণি লোৱাৰ আন উপায় নাই।

'ছাৰ-'

ড্ৰাইভাৰজনৰ মাতত চকু মেলি নোচোৱাকৈ সুধিলে দিলীপে।

'পালা?'

'হয়। এখেতে আপোনাক লগ পাব বিচাৰিছে ছাৰ।'

'মোক? কোনে?'

চকু মেলি থমক খাই ৰৈ গ'ল দিলীপ। খিৰিকী মূখত এজন সম্ভ্ৰান্ত চেহেৰাৰ মধ্য বয়সৰ মানুহ। খুব যেন চিনাকি। কোন আছিল? কোন আছিল?

'দিলীপ।'- মানুহজনে হাঁহিলে।

হঠাৎ খুলি গ'ল স্মৃতিৰ দুৱাৰ।

'অতনুদা।'


উচ্ছাসত কেইটামান মুহুৰ্ত পাৰ হৈ গ'ল।

'বহুত বছৰৰ মূৰত তোমাক দেখিলোঁ। বৰ ভাল লাগিছে দেখি'।

'সচাঁ। আপোনাক যে এনেকৈ লগ পাম ভবাই নাছিলো। আপুনি ধুবুৰীত থাকে বুলি জানো। কিন্তু কোনখিনিত থাকে নাজানিছিলো। মোক কেনেকৈ দেখিলে অতনুদা?'

'তোমাক দেখা নাই। ফোৰ্ড আইকনখন দেখি চাইছিলো। ৰেডক্ৰছ দেখি ভাবিলো চিনাকি কোনোবা নেকি। এওঁক সোধোতে গম পালো। প্ৰথমতে কোৱা ক'ৰ পৰা আহিআছা? বাকী কথা পিছত।'

'ইয়ালৈকে আহিছিলো। পেচেন্ট চাবলৈ। উভতি যাবলৈ ওলাইছোঁ।'



'মোৰ গাড়ীত উঠা। আজি আৰু তোমাৰ যোৱাটো নহ'ব।'

পুৰণি দিনৰ দৰে ছিনিয়ৰ ছাত্ৰৰ অভিভাৱকত্বৰ সুৰ ফুটি উঠিল অতনুৰ কণ্ঠত।

'কোৱা প্ৰথমে তোমাৰ খবৰবোৰ কোৱা।'- গাড়ী চলাই হাঁহিলে অতনুৱে।

পাছ কৰি ওলোৱাৰ পৰা বিয়ালৈ সকলো খবৰ সংক্ষেপে কৈ গ'ল দিলীপে।

'মোৰ ল'ৰা দুটা। ডাঙৰটো এইবাৰ মেট্ৰিক দিব। সৰুটো চেভেনত। আপোনাৰ খবৰ কওঁক অতনুদা।'

নিজৰ খবৰ দিবলৈ গৈ অতনুৱে ক'লে—

'তোমাক দিব লগীয়া খবৰ বৰ বেছি নাই। পি জি কৰি ঘূৰি আহিলোঁ। প্ৰায় লগে লগে বিয়াও পাতিলো। এইটোৱেই আটাইতকৈ গুৰুত্বপূৰ্ণ ঘটনা। তনুশ্ৰীক, যাক তোমালোকে অতনুৰ তনু বুলি জোকাইছিলা সেই তনুকে বিয়া কৰালো বুজিছা।

প্ৰাণ খুলি হাঁহি উঠিল অতনুৱে। দিলীপেও হাঁহি দিলে। দায়িত্বশীল আৰু প্ৰখ্যাত ডাক্তৰৰ পোছাক খুলি দিলীপ যেন নিমিষতে পুৰণি দিলীপ হৈ পৰিল।

'তনুশ্ৰী চৰকাৰী ডাক্তৰ। S.D.M.O হৈছে। মই চেম্বাৰত বহোঁ। মেডিচিনৰ মানুহ। প্ৰেছক্ৰিপচন লিখি খাও আৰু আগৰ দৰে সুবিধা পালে আড্ডা মাৰো। তোমাৰ দৰে মূৰৰ ওপৰত খোলা তৰোৱাল ওলোমাই প্ৰেক্‌টিছ কৰিব লগীয়া হোৱা নাই। বাচি গৈছো বুজিছা।'— আকৌ এবাৰ প্ৰাণ খুলি হাঁহি উঠিল অতনুৱে। দিলীপৰ মনটোত আনন্দময় অতনুৰ হাঁহিয়ে দোলা দি গৈছে। বহুদিনৰ মূৰত হঠাতে যেন এখন জুৰ বতাহে খেলা কৰা মুকলি ঠাইত থিয় হৈছে দিলীপ। তাৰ মনটো মুকলি মুকলি লাগিছে। এটা যেন নতুন আশ্বাস। নহয় নতুন নহয় এটা যেন নষ্টালজিক অনুভূতি। বিষাদ আৰু আনন্দ সনাসনি হৈ থকা।

'ল'ৰা-ছোৱালী কিমান ডাঙৰ হ'ল অতনুদা?'

'অ' আমাৰ এজনী ছোৱালী আৰু এটা ল'ৰা। ছোৱালীজনী ডাঙৰ। এইবাৰ ইংৰাজীত এম.এ পাছ কৰিছে। ল'ৰাটো দিল্লীত। এটায়ো ছায়েন্স নল'লে বুজিছা। সিহঁতে মোক কি কয় জানা— জন্মৰে পৰা ডাক্তৰ দেখি দেখি সিহঁত বোলে ব'ৰ হৈ গৈছে।'

প্ৰাণ খোলা হাঁহিত উদ্ভাসিত হৈ উঠিল অতনু। হাঁহি সামৰি সি দিলীপলৈ চালে

'আৰু এটা খবৰ আছে। এতিয়া নকওঁ। দেখিবাই।'

কথাটো শেষ কৰি প্ৰায় লগে লগে গাড়ীখন ৰখালে অতনুৱে। দিলীপে দেখিলে ফুলৰপাতেৰে সুন্দৰকৈ সজাই তোলা গেট এখনৰ সিপাৰে ৰঙীন ৰভা দিয়া এটা ঘৰ। কাৰোবাৰ বিয়া হয়তো। অতনু নামিল।

'আহা।'

'মই? মই নাযাওঁ নেকি। আপোনাৰ কি কাম আছে কৰি আহকগৈ।'

'আৰে নামা নামা। এইটো আমাৰেই ঘৰ।'

'আপোনাৰ? কিন্তু.... কাৰ বিয়া পাতিছে অতনুদা?'

'সেইটোৱেইতো খবৰ। মোৰ ছোৱালীৰ বিয়া আজি।' দিলীপক আচৰিত কৰি প্ৰাণ খুলি হাঁহি উঠিল অতনুৱে।

'আহা। মই তোমাক কৈছিলো নহয় আজি যোৱা নহয়? এনেকুৱা দিনত তোমাক লগ পাইছো। মোৰ লগতে মোৰ ছোৱালীৰো ভাগ্য বুলি ক'ব লাগিব।

আনন্দিত আৰু বিস্মিত দিলীপক এহাতেৰে মৰমেৰে ধৰি ভিতৰলৈ লৈ গ'ল অতনুৱে।

অৱধাৰিত ভাৱেই উৎসৱ মুখৰিত বিয়াঘৰত ব্যস্ত হৈ থকা তনুশ্ৰীও দিলীপক দেখি প্ৰথমতে আচৰিত হৈ গ'ল। তাৰ পিছত অতনুৰ দৰে আনন্দত মুখৰিত হৈ উঠিল। পাৰ হৈ গ'ল উচ্ছাসৰ আৰু এটা পৰ্ব।

বিয়াৰ ব্যস্ততাৰ মাজতে অতনু দিলীপৰ লগত মাজে মাজে আহি বহিছেহি। মাজে মাজে তনুশ্ৰীও। মাজতে সি অকলে বহি থাকি আমনি পাব বুলি ভাবি তনুশ্ৰীয়ে তাক কফি এমগ আৰু কলেজীয়া দিনৰ পুৰণি এলবাম দুটা দি থৈ গ'লহি। দিলীপে ভালেই পালে।

দিলীপে হাঁহি হাঁহি এলবামৰ পাতখিলা লুটিয়াই দিলে। আৰু লুটিয়াই দিয়েই যেন থমক খাই ৰৈ গ'ল। মুহূৰ্ততে কোনোবাই যেন তাৰ মুখত লাগি থকা হাঁহিখিনি টুকি লৈ গ'ল।

'চিনি পাইছানে নাই? হীৰেণ।'— ফটোখন চাই অতনুৱে কলে।

দিলীপে একো কোৱা নাই। সি অন্যমনষ্কৰ দৰে চাই আছে হীৰেণৰ ফটোখনলৈ।

চিকিৎসা মহাবিদ্যালয়ৰ দুই নং ছাত্ৰাবাসৰ এশ তিনি নম্বৰ ৰুমৰ বাসিন্দা হীৰেণ নামৰ এটা সুঠাম ডেকা ল'ৰা; অন্তৰ্মুখী বুলি ক'ব পাৰি।

বাৰাণ্ডাৰ একোণত ছায়ামায়া আন্ধাৰত চিগাৰেট হুপি বহি আছিল হীৰেণ। পুৰণি দিনৰ ভংগীমাৰে। চিনি পাবলৈ কোনো অসুবিধা নহ'ল দিলীপৰ।

প্ৰায় একেই আছে হীৰেণ।

'হীৰেণদা।'

দিলীপে মাত দিয়াৰ লগে লগে অন্যমনস্ক মানুহজনে যেন সামান্য সচকিত হৈ উঠিল।

তাৰ পিছত লাহে লাহে মূৰটো ঘূৰাই দিলীপলৈ চালে। এক মুহূৰ্ত তালৈ চাই থাকি খুব ধীৰে গহীন মাতেৰে কৈ উঠিল—

'দিলীপ।'

যেন সদায় লগ পাই থকা এজন মানুহ।

দিলীপ আচৰিত হৈ গ'ল। হোষ্টেলত থকা কালত হীৰেণে যে দিলীপক দেখিছিল অথবা চিনি পাইছিল তাৰ সামান্যতম ইংগিতো সি কেতিয়াও পোৱা নাছিল। এতিয়াতো দিলীপৰ যথেষ্ট পৰিৱৰ্তন হৈছে। হীৰেণৰ দৰে অন্যমনস্ক যেন লগা কোনোবাই এটাও কথা পাতি নোপোৱা মানুহ এজনে দিলীপৰ প্ৰথম দেখাতে চিনি পোৱাটো অসম্ভৱ নহ'লেও সহজো নহয়।

দিলীপক লৈ যেতিয়া অতনু খোৱা ঘৰলৈ সোমাই

আহিছে ৰভাতলত তেতিয়া নিমন্ত্ৰিত আলহী প্ৰায় নাই বুলিব পাৰি।

'এইটোৱেই লাষ্ট বেট্‌ছ্। খাই লোৱা দিলীপ।'—তনুশ্ৰীয়ে ক'লে।

'অলপ কিবা দিয়ক বৌ। ভোক লগা নাই। অথনি যিমান খুৱালে।'— দিলীপে হাঁহিলে।

'ঠিক আছে যি মন যায় খোৱা। অতনু থাকিব। মই যাওঁ।'

'যাওঁক। মই খাই লম।'

তনুশ্ৰী খৰখোজেৰে গ'লগৈ। দিলীপে হাতত প্লেট এখন তুলি ল'লে।

সি খাই শেষ কৰে মানে অতনু আহি ওচৰতে বহিলহে।

'ৰন্ধা-বঢ়া কেনে পাইছা দিলীপ?'

'ভাল। খুৱেই ভাল হৈছে। আপুনি খালেনে? অহ অপুনিটো উপবাসে আছে।'

'ফল-মূল কিবাকিবি খাইছো।'

'হীৰেনদাই খালেনে?'

'হীৰেনৰ খোৱা আৰু কি আবেলি কিবা অলপ খাইছে। ইয়ালৈতো নাহেই ভিতৰত নি দিছো মানুহ এৰি গৈ মই নিজে বহিব লগা হৈছে। তাক কেচুঁৱাৰ দৰে চাই থাকিব লাগে বুজিছা। তনুৱে কয়— মোৰ বোলে ল'ৰা-ছোৱালী দুটা নহয় তিনিটা বাবা, মাজনী আৰু সি।'

প্ৰাণ খুলি হাঁহি উঠিল অতনুৱে।

'ঘৰত হীৰেনদাৰ যত্ন কোনে লয়?'

'কাম কৰা মনুহ আছে। থাকিলে কি হ'ব। তাৰ ওচৰ চাপিব কোনে? সিহঁতে ঘৰ দুৱাৰ চায়। ৰন্ধা-বঢ়া কৰি টেবুলত থৈ দিয়ে। খালে খালে নাখালে তেনেকৈ থাকিল। চাই থাকিব লাগে। মোৰ কথা অলপ চলপ শুনে। অৱশ্যে তনুশ্ৰীও আজিকালি তাক অলপমান বলাব পৰা হৈছেগৈ।'

'খুব ড্ৰিংক কৰে নেকি হীৰেনদাই?'

'খুব বেছি কৰে বুলি ক'ব নোৱাৰি কম বুলিও ক'ব নোৱাৰি। মাজে মধ্যে আৰু।'

'পঢ়ি থাকোতে খাইছিলনে নাই?'

'নাখাইছিল। পঢ়া এৰি যে ঘৰলৈ গুচি আহিল তাৰ পিছৰ পৰাই খাবলৈ আৰম্ভ কৰিছে। প্ৰথমতেতো খুব বেছিয়েই খাইছিল। আজি কালি সিমান নাখায়। ময়ো আজিকালি বৰ বেছি বাধা নিদিওঁ কিনো কৰি থাকিব। লগ-সংগ নাই অকলে অকলে থাকে।'

'আচৰিত মানুহ।'

'ঠিকেই। আচৰিত বুলিয়েই ক'ব পাৰা। তাৰদৰে মানুহ মই আৰু দেখা নাই।'

'আপোনালোকে সৰুৰে পৰা একেলগে পঢ়িছিল নহয়?'

'অ'। প্ৰাইমাৰীৰ পৰা। পঢ়াত সি মোতকৈ বহুত ভাল আছিল বুজিছা। মেডিকেল পঢ়িবলৈ গৈ তাৰ কি যে হ'ল। অ' তোমাক পানী এগিলাচ আনি দিওঁ ৰবা। প্লেটখন মোক দিয়া।'

'নাই নাই নালাগে। মই লৈ আহোঁ। পানীও খাম। আপুনি বহক না। মই আহি আছো।'

দিলীপ উঠি আহিল।

অতনুৱে ক'লে—"মই তোমাক এটা কথা ক'বলৈ পাহৰিয়ে গৈছিলোঁ।"

'কি কথা অতনুদা?'— সামান্য সচকিত হৈ সুধিলে।

'তুমি তাক কলেজৰ কথা একো নুসুধিবা। সি খুব কষ্ট পায়। অথনি তোমালোক কলেজৰ কথাই পাতি আছিলা নহয়?'

'হয়।' কওঁ নকওঁকৈ দিলীপে ক'লে।

'সঁচাই আপোনাৰ দৰে বন্ধু পোৱাটো ভাগ্যৰ কথা অতনুদা।'

'নহয় দিলীপ। আচলতে হীৰেনৰ দৰে বন্ধু পোৱাটোহে ভাগ্যৰ কথা। সি এজন বেলেগ ধৰণৰ মানুহ। তাক ওপৰে ওপৰে চাই বুজিব নোৱাৰি। মই তাক সৰুৰে পৰা পাইছো খুৱ ভালকৈ ওচৰৰ পৰা দেখিছো। মই তাক বুজি পাওঁ আৰু সেই কাৰণেই কিজানি তাক ইমান বেছি ভালপাওঁ।

'হীৰেণৰ আৰু কোনো নাই নেকি?'

'নাই সিয়েই একমাত্ৰ ল'ৰা। দেউতাক খুৱ ফেমাচ ডাক্তৰ আছিল। অজস্ৰ টকা আৰ্ণ কৰি থৈ গৈছে। মাক-দেউতাকে নিজৰ আত্মীয় স্বজনৰ লগত বৰ বেছি সম্পৰ্ক ৰখা নাছিল। হীৰেণদাৰ লগতো নাই। ইমান ডাঙৰ নাৰ্চিংহোম। সি ভৰি দিবলৈও নাযায়। অদ্ভুত কাম কিছুমান লৈ বাছি আছে। কৈ শেষ কৰিব নোৱাৰি।'

'অলপ সময় হীৰেণৰ ওচৰতে বহোগৈ।' অতনুৱে ক'লে।

'যাওঁ ব'লা।'

আন্ধাৰ বেলকণিত বহি আছিল হীৰেণ। হাতত আধা জ্বলা চিগাৰেট। গভীৰভাৱে অন্যমনস্ক। দিলীপ আৰু অতনুৰ খোজৰ শব্দ শুনিও ভংগীৰ কোনো পৰিৱৰ্তন নহ'ল।

অতনুৱে হীৰেনলৈ চাই ক'লে— 'তোক কিবা লাগিছিল নেকি হীৰেন?'

'লাগিছিল।' হীৰেনে অতনুলৈ চালে। 'তই দিব নোৱাৰ। দিলীপে পাৰিব নেকি?'

'কি লাগে হীৰেনদা? কওকচোন।' দিলীপে আগ্ৰহেৰে ক'লে।

'এটা নাম।'

অতনু যেন সচকিত হৈ উঠিল। সি লৰালৰিকৈ কোৰাৰ দৰে ক'লে—

'হীৰেনে ধেমালি কৰিছে দিলীপ। কিনো লাগিব তাক। এনেয়ে কৈছে। তই দিলীপৰ কথা নাজান কিজানি। বৰ ডাঙৰ ডাক্তৰ হৈছে সি।'

'জানো।'

'জান? তই কেনেকৈ অ'.....'— ৰৈ গ'ল অতনু।

'খালি?' অতনুলৈ চালে হীৰেনে।

'নাই— মইতো একো নাখাওঁ উপবাসে আছোঁ জান দেখোন।'

অবাক হৈ দিলীপে চাই আছিল বয়স্ক দুজন বন্ধুলৈ। স্নেহৰ প্ৰায় বাণীহীন ভাষা লৈ। তাৰ মনটোত তেতিয়া তোলপাল লগাই আছিল বিচিত্ৰ অনুভৱে।

কিছু সময় ইটো-সিটো কথা পাতি অতনু উঠিল।

'মই যাওঁ। অলপ ফ্ৰেছ হৈ লওঁ। তনুক আজৰাই দিও গৈ। তাই বেচেৰী কান্দিও আছে হাঁহিবও লগা হৈছে চবফালে চাবও লগা হৈছে। তহঁতে ভাত-পানী খাবি। মইতো হোমত বহিম। আহিব নোৱাৰিম।'

'এইটো মাজনীক দিবি।'— এটা সৰু প্লাষ্টিকৰ পেকেট আগবঢ়াই দিলে হীৰেনে।

'কি আছে ইয়াত?'— সামান্য আচৰিত হৈ সুধিলে অতনুৱে।

'খুলি চা।'

অতনুৱে পেকেটটো খুলিলে। তাৰ পিছত প্ৰায় চিঞৰি উঠিল—

'গহনা। ইমানবোৰ। এইবোৰ কিয় হীৰেন? তই তাইক ইতিমধ্যে চৰেই দিলি দেখোন। কাপোৰ গহনা। আৰু কিয়? নালাগে। মই খুব বেয়া পাম। তনুজায়ো।'

'কিনি অনা নাই। মাৰ গহনা। মাজনীয়ে ৰাখক।'

'হীৰেন, প্লিজ মোক তই নকন্দুৱাবি। মই এইবোৰ তাইক দিব নোৱাৰোঁ।'

'তনুবৌৱে পিন্ধিব নেকি?'— হীৰেনৰ ওঁঠত এটা ধেমালিৰ চিন নিচিন হাঁহি বিয়পি পৰিল।

'ধেমালি নকৰিবি। ৰ'— মই তনুক মাতি আনো।'

'নামাতিবি। গালি পাৰিব।'

'জান যদি কিয় দিছ এইবোৰ?'

'মায়ে দিবলৈ কৈছিল।'

'অ' কৈছিল। মোৰ ছোৱালীক গহনাবোৰ দি দিবলৈ তোক কৈ গৈছিল। বাজে কথা নক'বি হীৰেন। তই এইবোৰ ৰাখ। মোৰ মন-চন কিবা লাগি গৈছে। দিলীপ দেখিছানে ইয়াৰ কাণ্ড।'

'তই মোক বিশ্বাস কৰা নাই। মায়ে মোক সচাঁকৈ কৈছিল।'

'কি কৈছিল? কি কৈছিল কচোন বৰমায়ে?'

'তই দেখোন আছিলি। মোক বিয়া কৰাবলৈ কৈছিল।'

অতনু ৰৈ গ'ল। তাৰ কথাবোৰ মনত পৰি গৈছে। কৈছিল। হীৰেনৰ মাকে হীৰেনক বিয়া কৰাবলৈ কৈছিল। মৃত্যুৰ কিছুদিন আগতে হীৰেনৰ হাতত গহনাখিনি দি কৈছিল—

'তোৰ বিয়া মোৰ ভাগ্যত নাই। কিন্তু তই যদি বিয়া কৰাব আৰু তোৰ যদি ছোৱালী হয় তাইক বিয়াত এই গহনাখিনি পিন্ধাবি। মোৰ আত্মাই শান্তি পাব।'

অতনুৰ চকুৰে ধাৰাসাৰে পানী বৈ আহিল। দুহাতেৰে মুখ ঢাকি বহি থাকিল অতনু। ধাৰাসাৰে ওলাই অহা চকুলোৰে তাৰ দুহাত তিতি গৈছে। কিছু সময় সি তেনেকৈয়ে বহি থাকিল।

'নাকান্দিবি।'— হীৰেনে ক'লে।

'নাকান্দিম? তয়েই মোক কন্দুৱালি। ঠিক আছে। ব'ল তই নিজেই তাইক দেগৈ।'

'তই দে। ড্ৰিংক কৰি আছোঁ। মাজনীয়ে বেয়া পাব।'

'তোৰ লগত মই হাৰি গ'লো সঁচাকৈয়ে হাৰি গ'লো।' অতনু গ'লগৈ। দিলীপৰ উপস্থিতিৰ কথা তেতিয়া কিজানি এজনৰো মনত নাই।

আৰু দিলীপ?

সম্পূৰ্ণ বাস্তৱবাদী বয়স্ক দিলীপৰ, সুপ্ৰতিষ্ঠিত, সুখী, ভোগবাদীত পৰিতৃপ্ত দিলীপৰ আৱেগবৰ্জিত বুকুৰ ঘৰটো তেতিয়া ভাগি পৰিবলৈ আৰম্ভ কৰিছে।

পৃথিৱীৰ এনেকুৱা মানুহো আছে? হীৰেনৰ দৰে? অতনুৰ দৰে? মানুহে মানুহক এনেকৈ ভাল পাব পাৰে? এনেকুৱা সম্পৰ্কও থাকিব পাৰে? অৰ্থলিপ্সা, যশলিপ্সা, ভোগলিপ্সাই লেতেৰা নকৰা সম্পৰ্ক? জীৱন বীক্ষা? সি শিকিছে টকা-পইচাৰ মূল্য। বিলাসৰ মূল্য। উচ্চবিত্ত জীৱনৰ মূল্য। মানুহে তাৰ কাৰণে এটা পণ্যৰ বাহিৰে আন একো নহয়। ❑

*গল্পকাৰ দুধনৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা*

# দুই মিনিটত দুটি গল্প

## ত্যাগ



সিবানি ৰয়
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

"আমাৰে ময়না শুবো, সোণালী ধাননী ডাবো,
ন' চাউলৰে চিৰা ভাজি দিমে, বাটি ভৰি ভৰি খাব"।

এয়া কি যে মনোমোহা গীত; কিন্তু কিয় বাৰু ভাইটি জিতুয়ে এনে মনোমোহা গীত শুনাৰ অধিকাৰ নাপালে?

'বাইদেউ, বাইদেউ জানা, দ্বীপ, জিন্টী আৰু সৰুকণহতঁক সিহতৰ মাকে শুৱাৰ সময়ত আমাৰে মইনা শুবো..... গীতটি গাই গাই টোপনি নিয়ায়। গোৱানা বাইদেউ টোপনি অনাৰ গীতটো।'

'শুনা জিতু, আচলতে কি জানা; সেই গীতটো মায়ে গালেহে শুৱলা হয়।'

'তেন্তে মা কলৈ গৈছে? তাই কিয় নাহে?'

'জিতু, জিতু আমাৰ মা আৰু দেউতা তুমি পানী কেঁচুৱা থাকোতে বাছ দুৰ্ঘটনাত মৃত্যু হৈছে। দেউতাই দুৰ্ঘটনা স্থানতে আৰু মায়ে টিলাপাৰা চিকিৎসা মহাবিদ্যালয়তে মৃত্যু হৈছে। তেতিয়া মায়ে মোৰ হাতত ধৰি এনে ধৰণে কৈছিল—"বৰ্ণালী মই আৰু

জীয়াই নাথাকিম। তুমি যিমানখিনি পাৰা ত্যাগ কৰি হলেওঁ জিতুক ভালদৰে চোৱা-চিতা কৰিবা, ত্যাগ, শিক্ষা দীক্ষাৰ ব্যৱস্থা কৰি আত্ম নিৰ্ভৰশীল কৰি গঢ়ি তুলিবা, আমাৰ ঘৰত বনকৰা 'ৰামলাল' খুৰাক নিজৰ ককাৰ দৰে ৰাখিবা দুখ নকৰিবা মাজনী মোক বিদায় দিয়া।"

'বৰ্ণালী আমাৰ জিতুৱে এদিন মোক কৈছিল যে, সি হেনো বিজ্ঞান শাখাত হায়াৰ ছেকেণ্ডাৰী উত্তীৰ্ণ হোৱাৰ পিছত চিকিৎসা মহাবিদ্যালয়ত এম. বি. বি. এছ.ত ভৰ্ত্তি হ'ব।'

'ৰামলাল ককা, আমাৰ নিচিনা দুখীয়া মানুহৰ কাৰণে তেনে পাঠ্যক্ৰমৰ বাবে খৰচ বহন কৰাটো সম্ভৱ হ'ব জানো? আমাৰ দেখো দুই পূৰা শালী মাটিৰ বাহিৰে একোৱেই নাই। ককা আমি ইমান দূৰ্ভগীয়া যে, মা-দেউতাৰ মৰম-চেনেহ দূৰৰ কথা; দুবেলা দুমুঠি ভাত সাজকে যোগাৰ কৰিব নোৱাৰা হৈছোঁ। চোৱা ককা ইপিনে মায়ে কৈ যোৱা কথা পেলাব নোৱাৰো আৰু আনপিনে অৰ্থনৈতিক অচলাবস্থা। সঁচা ককা, জিতুৰ দৰে মেধাবী ল'ৰাই ভাল কেৰিয়াৰ বাচি ল'বই। সৌৱা দেখোন জিতু আহি আছে।'

'বাইদেউ-বাইদেউ, ককা-ককা লোৱা এয়া।'

'এইবোৰ কি? কিয় আনিছা এই মিঠাইবোৰ?

'বাই..দেউ..., ককাঁ, মই প্ৰথম বিভাগত উত্তীৰ্ণ হৈছো। ৯৯ শতাংশলৈ উত্তীৰ্ণ হৈছোঁ। বাইদেউ, মই কিন্তু ককাক আগতে কৈছো যে, মই চিকিৎসা বিজ্ঞান পঢ়িম। বাইদেউ তোমাৰ কি হৈছে, তুমি কিয় কান্দিছা? কোৱানা, কোৱানা, কো...ৱা... না।'

'ভাইটি মই কান্দিছোঁ তোমাক মই পঢ়াৰ খৰচ কেনেকৈ দিম?'

'ঠিক আছে বাইদেউ মই আৰু নপঢ়ো।'

'নাই নাই তুমি পঢ়িব লাগিব, ডাঙৰ মানুহ হ'ব লাগিব। আত্মনিৰ্ভৰশীল হব লাগিব।'

'লোৱা এয়া পোন্ধৰ হাজাৰ টকা। সদ্যহতে তুমি ভৰ্তি হৈ লোৱা আৰু বাকীখিনি টকাৰে তোমাৰ বিচনাৰ কাপোৰ, বেডিং, হোল্‌ডাৰ আদি কিনিবা আৰু লাহে লাহে মই সকলো পঢ়াৰ খৰচ দি যাম।'

'বৰ্ণালী, জিতুৱে ভৰ্ত্তি হৈছেনে নাই?'

'হৈছে ককা। অহা সোমবাৰৰ পৰা ক্লাছত যাব।'

'বৰ্ণালী, তুমি ইমান টকা ক'ত পাইছা?'

'ককা, এনে সময়ত এনে প্ৰশ্ন নকৰিবা, পিছলৈ কম বাৰু। ককা অহাকালি জিতুৰ নামত তিনি লাখ টকাৰ পঢ়াৰ নামত একাউন্ট খুলি দিম।'

'বৰ্ণালী, ইমান টকা। ক'ত পালা?'

'ককা, কৈছোৱেই নহয় পিছত কম।'

'ককা, মোৰ গাটো বৰ দূৰ্বল-দূৰ্বল লাগি আছে। মই আৰু দেখোন খোজ কাঢ়িব নোৱাৰা যেন অনুভৱ কৰিছোঁ।'

'বৰ্ণালী তুমি খোৱাৰ অলপ যত্ন লৱা; নহলে চোন তোমাৰ স্বাস্থ্য আৰু ভাগি পৰিব।'

'বৰ্ণালী, জিতুৰ চূড়ান্ত পৰীক্ষা কেতিয়া শেষ হ'ব? সি কেতিয়া আহিব? ককা, জিতুৰ চূড়ান্ত পৰীক্ষা অহা জুন মাহৰ এঘাৰ তাৰিখৰ পৰা ...। ককা, মই এতিয়া 'আই বেংকত' যাওঁ; অকণমান কাম আছে। তুমি ঘৰতে থাকিবা। ক'তো নাযাবাদেই। হ'ব বাৰু মাজনী।'

"কিনো মায়া জৰিৰে মই এই অসহায় জীৱ দুটিৰ লগত বান্ধ খাই গ'লো"। সৌৱা এম্বুলেন্সখন দেখোন আমাৰ ঘৰৰ অভিমুখে আহি আছে।

'আপুনি এই ঘৰৰ মানুহ নেকি?'

'হয়।'

'ক'ত থম ছোৱালীজনীক?'

'কোন ছোৱালী বোপাহঁত? এয়া কি বৰ্ণালী দেখোন কোনে কৰিলে এই নিস্পাপ বৰ্ণালীৰ চকুজুৰিৰ এই অৱস্থা?'

'ককা কোনেও কৰা নাই। মই নিজেই কৰিছো। জিতু আহিলে নকবা মোৰ এই অৱস্থাৰ কথা। কাৰণ সি দুখ পাব।'

'বাইদেউ-বাইদেউ, ককা-ককা, ...... তোমালোক ক'ত আছা?'

'ৰ.... বা জিতু, তোমাৰ বাইদউক ভাত খুৱাই আছো?'

'বাইদেউক ভাত খুৱাই আছে?'

'কিয় ককা? ককা কিয় কান্দিছা?'

"জিতু তোমাৰ বাইদেউ তোমাৰ পঢ়া খৰচৰ বাবে বৰ্ণালীয়ে নিজৰে এটা কিড্‌নী তোমাৰ ভৰ্ত্তিৰ সময়ত বিক্ৰী কৰি দিছে আৰু 'আই বেংকত' চুক্তি মতে দুই লাখ টকাৰ বিনিময়ত বিক্ৰী কৰি দিছে।"

'বাইদেউ; তুমি কিয় এনে মহৎ ত্যাগবোৰ মোৰ বাবে কৰিলা?'

'জিতু, মাৰ কথা ৰাখিবৰ বাবে মই এনে সামান্য কণ ত্যাগ তোমাৰ বাবে কৰিলোঁ দুখ নকৰিবা জিতু।' ❑



# বিষাদৰ ছাঁ

**দীপান্বিতা ৰয়**
*উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ*

ৰাতিপুৱাতে কাবেৰীয়ে উঠি খিৰিকীখন খুলি দিলে। খিৰীকীখন খুলি দিয়াত কোঠাটোৰ ভিতৰলৈ পোহৰৰ লগে লগে এজাক শীতল বতাহ সোমাই আহিল। যেন খিৰীকীখনৰ বাহিৰত বতাহজাকে তাইৰ বাবে অপেক্ষা কৰি আছিল। তাই কোঠাটোত থকা বাকী কেইখন খিৰীকীও খুলি দিলে। আজি কিমান দিনৰ পৰা যে বাহিৰৰ পৃথিৱীখনৰ এই সৌন্দৰ্য উপভোগ কৰাৰ পৰা বঞ্চিত হৈ আছে। কাবেৰীয়ে খিৰীকীখনৰ গ্ৰীলত ধৰি বাহিৰৰ ফালে অপলক নেত্ৰৰে চাই থাকিল। তাইৰ এনে লাগিল যেন তাই স্বৰ্গতহে আছে। শৰতৰ কাঁচিয়লি ৰ'দ, শেৱালী ফুলৰ সুবাস, নিয়ৰৰ টোপালবোৰ দেখি তাই বৰ শান্তি পালে। তাই ভাৱিলে মানুহ কিয় সদায় এই পাৰ্থিব সুখবোৰ ভোগ কৰিব নোৱাৰে। অজানিতে কাবেৰীৰ মনটো সেমেকি উঠিল, চকুৰ পানী ববলৈ ধৰিলে। কিমান যে মৰম কৰিছিল তাই মুক্তাক। মুক্তা কাবেৰীৰ একমাত্ৰ সন্তান। এই মুক্তাই যে কাবেৰীক ইমান গভীৰ দুখ দিব পাৰে তাই সপোনতো ভাব নাছিল। তাইৰ মনটো অতীতলৈ উভতি গ'ল। আজিৰ পৰা প্ৰায় বাইশ বছৰ আগৰ কথা। কাবেৰীয়ে এখন চৰকাৰী বিদ্যালয়ত শিক্ষয়িত্ৰী হিচাপে কাম কৰিছিল। সেইদিনা স্কুলত মিটিং থকাৰ কাৰণে কাবেৰীৰ ঘৰলৈ উভতি আহোঁতে সন্ধ্যা লাগিছিল। তাই সদায়ে বাছেৰে অহা-যোৱা কৰিছিল। সিদিনাখন তাই বাছখনত উঠি খালী চিট এটা দেখা পাই তাতে বহি ল'লে। এনেতে পিছফালৰ পৰা কোনোৱা এটা শিশুৱে বৰ জোৰেৰে কান্দি উঠিল। তাই পিছফালে ঘূৰি দেখিলে এটি বৰ মৰম লগা শিশুৱে তাইৰ ফালে চাই কান্দি আছে। বয়স বোধহয় আঢ়ৈ বছৰ মান হ'ব। তাই বাছৰ পৰা পৰিচালকজনক শিশুটোৰ বিষয়ে সোধাত ক'লে—"বাইদেউ, এই শিশুটোক তিনিদিন মানৰ আগতে কোনোবাই এৰি থৈ গৈছে। বহু বিচাৰ খোচাৰ কৰিও তাৰ মাক-বাপেকৰ সন্ধান নাপালোঁ। সেয়েহে এই শিশুটোক এতিয়া অনাথ আশ্ৰমত গটাই দিয়াৰ কথা ভাবিছোঁ।" কাবেৰীৰ কথাবোৰ ভাবি বৰ দুখ লাগিল আৰু তাই শিশুটোক লগতে লৈ ঘৰলৈ আহিল। কাবেৰীৰ মাক-দেউতাকে আপত্তি কৰা সত্বেও তাই শিশুটোক নিজৰ লগত ৰাখিলে। সেই শিশুটোক তাই এটা নতুন নাম দিলে "মুক্তা"। মুক্তাৰ বাবেই তাই বিয়াত নবহিল আৰু গোটেই জীৱন মুক্তাৰ লগতে কটোৱাৰ সিদ্ধান্ত ললে। মুক্তাক কাবেৰীয়ে এটা নতুন জীৱন দিলে। তাইৰ লালন-পালনৰ সম্পূৰ্ণ দায়িত্ব নিজৰ ওপৰত ল'লে। তাইক স্কুলত নাম লগাই দিয়ে। কাবেৰীয়ে তাইক কোনোদিনে মাক-দেউতাকৰ অভাৱ-অনুভৱ হ'বলৈ দিয়া নাছিল। মুক্তাইয়ো নিজৰ ৰিজাল্টবোৰ ভাল কৰি কাবেৰীক দুগুন উৎসাহ দিছিল। পিছলৈ মুক্তাই গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্ৰীও ললে। মুক্তা যে কাবেৰীৰ সন্তান নহয় সেই কথাটো মুক্তাই জনা নাছিল আৰু এদিন কেনেবাকৈ জানিবলৈ পাই তাই নিজকে বিশ্বাস কৰিব পৰা নাছিল। তাই কাবেৰীৰ ওপৰত আৰু বোজা হৈ থকাটো কোনোপধ্যে সহ্য কৰিব নোৱাৰিলে। সেইবাবে তাই সিদ্ধান্ত ল'লে যে তাই কাবেৰীক এৰি থৈ গুচি যাব। তাই এখন চিঠি লিখিলে—

"মা, মই আপোনাৰ ওচৰত চিৰ ঋণী। মই আপোনাৰ ধাৰ কোনোদিনেই শোধ কৰিব নোৱাৰিম। সেয়াই মই অন্য এখন পৃথিৱীলৈ যোৱাৰ কথা ভাবিছো। মই তোমাৰ ওচৰত আৰু বোজা হ'ব নিবিচাঁৰো। মোক ক্ষমা কৰি দিব। ইতি তোমাৰ মুক্তা।"

কাবেৰীয়ে পুৱা বহু দেৰিলৈকে মুক্তা শোৱাৰ পৰা নুঠা দেখি দুৱাৰখন ঠেলি দি দেখে যে মুক্তা বিচনাত নাই। টেবুলত এখন চিঠি দেখা পাই লৰালৰিকৈ গৈ তুলি লৈ সেইখন পঢ়িলে। এইবোৰ তাইৰ সপোনৰো অগোচৰ আছিল। কাবেৰীৰ এনে লাগিল যেন তাইৰ ভৰিৰ তলৰ মাটি ক্ষয় হৈ গৈছে। সেইদিনা তাই খুব কান্দিলে। প্ৰেমৰ প্ৰতিদান যে এনে হ'ব তাই ভাবিবই পৰা নাছিল। হঠাৎ কলিং বেলটো বাজি উঠাত কাবেৰীৰ সম্বিৎ ঘূৰি আহিল আৰু চকু পানীখিনি মচি ততাতৈয়াকৈ দুৱাৰৰ ফালে আগবাঢ়ি গ'ল। ❑